**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-02-2025
**Time :** 1350 hrs

ASSAMESE MIDDAY BULLETIN
**HEADLINES**
**:::::::::::::::::::**

১। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে লোকসভাত আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰি কয় যে এই বাজেটৰ লক্ষ্য হৈছে বিকশিত ভাৰতৰ আকাংক্ষা পূৰ কৰা।

২। কেন্দ্ৰীয় বাজেটত বছৰি আয় ১২ লাখ টকালৈ কৰ ৰেহাই ঘোষণা কৰাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলৰ কৰ ৰেহাই ৫০ হাজাৰ টকাৰ পৰা ১ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

৩। বাজেটত কৃষি উৎপাদন বৃদ্ধি আৰু কৃষকৰ উন্নয়নৰ লগতে ১ কোটি ৭০ লাখ কৃষকলৈ ঋণ সুবিধা প্ৰদানৰ উদ্দেশ্যে জিলাসমূহত প্ৰধানমন্ত্ৰী ধন ধ্যান কৃষি যোজনা আৰম্ভ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

*আৰু*

৪। অসমৰ নামৰূপত ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন বাৰ্ষিক ইউৰিয়া উৎপাদনৰ বাবে ইউৰিয়া প্ৰকল্প স্থাপন কৰা হ'ব বুলি বাজেটত প্ৰস্তাৱ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত দেশৰ মধ্যবিত্ত শ্ৰেণীক সকাহ দিয়াৰ লক্ষ্যৰে আৰু বৃহৎ অৰ্থনৈতিক সংস্কাৰৰ ঘোষণাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত দাখিল কৰা বাজেটত মহিলা, কৃষক, উদ্যমী আদি সকলোকে সামৰি লোৱাৰ লগতে কৃষি, চিকিৎসা, নিয়োগ, পৰ্যটন আদি বিষয়সমূহেও গুৰুত্ব লাভ কৰিছে। বাজেট উত্থাপন কৰি শ্ৰীমতী সীতাৰমনে কয় যে এইবাৰৰ বাজেটত ১০টা প্ৰধান ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। শ্ৰীমতী সীতাৰমনে কয় যে এই বাজেট বিকশিত ভাৰতৰ আকাংক্ষা পূৰণৰ উদ্দেশ্যে প্ৰস্তুত কৰাৰ লগতে বিকাশৰ বাবে সমৰ্পন কৰা হৈছে। তেওঁ কয় যে অহা ৫ বছৰত চৰকাৰে নিয়োগ সম্বন্ধীয় বিকাশৰ লক্ষ্য পূৰণ কৰাত সমৰ্থ হ'ব।

অহা সপ্তাহত নতুন আয়কৰ বিধেয়ক ঘোষণা কৰা হ'ব বুলিও বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰে। সকলো প্ৰিমিয়াম ভাৰততে বিনিয়োগ হ'লে ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগত অনুমোদন দিয়া হ'ব বুলিও বিত্তমন্ত্ৰীয়ে প্ৰস্তাৱ কৰে। বীমা খণ্ডত প্ৰত্যক্ষ বিদেশী বিনিয়োগ ১০০ শতাংশলৈ বৃদ্ধি কৰা হ'ব বুলি প্ৰকাশ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনৈতিক সংস্কাৰৰ বাবে উচ্চস্তৰীয় কমিটী গঠন কৰাৰ বাবে প্ৰস্তাৱ দিয়ে।

পৰ্যটনৰ ক্ষেত্ৰত এইবাৰৰ বাজেটত বিশেষ গুৰুত্ব দিয়া হৈছে। বাজেটত দেশৰ ৫০খন উল্লেখযোগ্য পৰ্যটন ক্ষেত্ৰৰ বিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। পৰ্যটনৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে বিশেষ চুক্তিও সম্পাদন কৰা হ'ব বুলি শ্ৰীমতী সীতাৰমণে উল্লেখ কৰে।

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটত কৃষিখণ্ডৰ উন্নয়ন আৰু কৃষকক উপকৃত কৰাৰ লক্ষ্যৰে বহুকেইখন নতুন আঁচনি ঘোষণা কৰা হৈছে। কপাহ খেতিৰ বাবে বাজেটত বিশেষ গুৰুত্ব দিয়া হৈছে।

শ্ৰীমতী সীতাৰমনে কয় যে দাইলৰ ক্ষেত্ৰত দেশ আত্মনিৰ্ভৰশীল হোৱাৰ বাবে চৰকাৰে ছবছৰীয়া অভিযান আৰম্ভ কৰিছে। তেওঁ উৎপাদন বৃদ্ধি আৰু বজাৰ ব্যৱস্থা উন্নত কৰাৰ বাবে মাখানা বোৰ্ড গঠনৰ ঘোষণা কৰিছে। কিষাণ ক্ৰেডিট কাৰ্ডৰ সীমা ৫ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। বাজেটত কৃষি উৎপাদন বৃদ্ধি আৰু কৃষকৰ উন্নয়নৰ লগতে ১ কোটি ৭০ লাখ কৃষকলৈ ঋণ সুবিধা প্ৰদানৰ উদ্দেশ্যে জিলাসমূহত প্ৰধানমন্ত্ৰী ধন ধ্যান কৃষি যোজনা আৰম্ভ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

দেশৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উন্নয়নৰ বাবে বাজেটত উল্লেখ কৰা হৈছে। উদ্যোগীৰ বাবে এই বাজেটত ১০ হাজাৰ কোটি টকাৰ আঁচনিৰ লগতে মহিলা উদ্যোগীৰ বাবে বিশেষ আঁচনিৰ ব্যৱস্থা কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ এই বাজেটত আয়কৰ গাঁথনি সৰলীকৃত কৰাৰ বাবে বিত্তমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছে। বিত্তমন্ত্ৰীয়ে মধ্যবিত্তক সকাহৰ বাবে আয়কৰ গাঁথনিত সংস্কাৰৰ প্ৰস্তাৱ কৰিছে। দেশৰ মধ্যবিত্ত লোকসকলক সকাহ দিয়াৰ উদ্দেশ্যে ১২ লাখ টকালৈ আয়কৰ ৰেহাইৰ ঘোষণা কৰা হৈছে। ইয়াৰে বছৰি আয় ৪ লাখলৈ কোনো ধৰণৰ আয়কৰ দিব নালাগে। ৪ৰ পৰা ৮ লাখ টকালৈ ৫ শতাংশ কৰ ৰেহাইৰ ঘোষণা আৰু ৮ৰ পৰা ১২ লাখ টকালৈ ১০ শতাংশ কৰ ৰেহাই দিয়া হ'ব বুলি বাজেটত শ্ৰীমতী সীতাৰমণে প্ৰস্তাৱ কৰে। কেন্দ্ৰীয় বাজেটত বছৰি আয় ১২ লাখ টকালৈ কৰ ৰেহাই ঘোষণা কৰাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলৰ কৰ ৰেহাই ৫০ হাজাৰ টকাৰ পৰা ১ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

জনসাধাৰণৰ স্বাস্থ্য সুনিশ্চিত কৰিবলৈ দেশৰ স্বাস্থ্য খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। জীৱনদায়িনী ৩৬বিধ ঔষধৰ ক্ষেত্ৰতো কৰ ৰেহাই দিয়া হ'ব বুলি বিত্তমন্ত্ৰীয়ে ঘোষণা কৰে। ২০২৫ চনৰ ভিতৰত দেশৰ সকলোবোৰ জিলা হাস্পতালত দুহেজাৰটা কেন্সাৰ কেন্দ্ৰ স্থাপন কৰা হ'ব। চিকিৎসা মহাবিদ্যালয়সমূহত ১০ হাজাৰ অতিৰিক্ত আসনৰ ব্যৱস্থা কৰা হ'ব বুলিও বাজেটত উল্লেখ কৰে। দেশত দুহেজাৰটা দিনৰ ভাগত শিশুৰ পৰিচৰ্যা কেন্দ্ৰ স্থাপন কৰা হ'ব বুলিও বিত্তমন্ত্ৰীয়ে বাজেটত ঘোষণা কৰে।

দেশৰ পাঁচখন আই আই টিৰ সক্ষমতা বৃদ্ধিৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

এই বাজেটত ১০০ শতাংশ অঞ্চলক সামৰি জলজীৱন মিছনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। মিছনৰ অধীনত সকলোকে নলযোগে খোৱাপানীৰ যোগান ধৰাৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে চুক্তি সম্পন্ন কৰা হ'ব বুলিও শ্ৰীসীতাৰমণে ঘোষণা কৰে। পাটনাত নতুন গ্ৰীনফিল্ড বিমান বন্দৰ স্থাপন কৰা হ'ব বুলিও শ্ৰীমতী সীতাৰমণে বাজেটত উল্লেখ কৰে।

অসমৰ নামৰূপৰ সাৰ কাৰখানাৰ বাবে বিত্ত মন্ত্ৰীয়ে বাজেটত বৃহৎ ঘোষণা কৰিছে। বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন ইউৰিয়া উৎপাদনৰ লক্ষ্যৰে নামৰূপত নতুনকৈ ইউৰিয়া প্ৰকল্প স্থাপন কৰা হ'ব। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বাজেটক আদৰণি জনাইছে। নুমলীগড় শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনে বাজেটক আদৰণি জনাই এইদৰে কয় –

বাইট

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণে কয় যে ভাৰতৰ অৰ্থনীতি বিশ্বৰ অৰ্থনৈতিক বিকাশশীল দেশসমূহতকৈ দ্ৰুতগতিত আগবাঢ়ি আছে।

০০০০০

কেইবাজনো বিৰোধী নেতাই চৰকাৰক সমালোচনা কৰি কয় যে বাজেটত মধ্যবিত্ত শ্ৰেণী আৰু দেশৰ যুৱক-যুৱতীসকলৰ বাবে একো নাই। সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছৰ সাংসদ শশী থাৰুৰে কয় যে বাজেটত নিবনুৱা সমস্যা আৰু যুৱক-যুৱতীসকলক লৈ অন্য বিষয়ৰ ওপৰত আলোচনা কৰা হোৱা নাই।

টিএমচিৰ সাংসদ অভিষেক বেনাৰ্জীয়ে কয় যে বাজেটত মধ্যবিত্ত শ্ৰেণীৰ বাবে একো নাই।

ডি এম কেৰ সাংসদ দয়ানিধি মৰানে চৰকাৰে বাজেটত মধ্যবিত্ত শ্ৰেণীক আওকাণ কৰাৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে বিহাৰৰ বাবে কেইবাটাও ঘোষণা কৰা হৈছে, কিয়নো ৰাজ্যখনত বছৰৰ শেষৰ ফালে নিৰ্বাচনত অনুষ্ঠিত হব। তেওঁ লগতে কয় যে আনহাতে দক্ষিণৰ ৰাজ্যসমূহক সম্পূৰ্ণৰূপে আওকাণ কৰা হৈছে।

OOOOO

আজি ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ বিশাল উপকূল ৰক্ষাৰ ক্ষেত্ৰত এই শক্তিৰ সাহস, নিষ্ঠা, আৰু অদম্য সতৰ্কতাৰ বাবে প্ৰশংসা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে সামুদ্ৰিক সুৰক্ষাৰ পৰা দুৰ্যোগৰ প্ৰতি সঁহাৰি জনোৱালৈকে, চোৰাংচোৱা বিৰোধী অভিযানৰ পৰা আৰম্ভ কৰি পৰিৱেশ সুৰক্ষালৈকে ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে ইয়াৰ জলধাৰা আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰে।

OOOOO

আমেৰিকাত যোৱা নিশা উত্তৰ-পূব ফিলাডেলফিয়াত এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাত বহু লোক নিহত হোৱাৰ আশংকা কৰা হৈছে। দুৰ্ঘটনাটোৰ ফলত বৃহৎ অগ্নিকাণ্ড সংঘটিত হোৱাৰ লগতে অতি জৰুৰীকালীন অৱস্থাৰো সৃষ্টি হোৱাৰো আশংকা কৰা হৈছে। আৰক্ষীয়ে জনোৱা মতে, ৰ'নহাৰ্ষ্টৰ আৱাসিক চুবুৰীৰ ৰুজভেল্ট মলৰ সমীপত এই দুৰ্ঘটনা সংঘটিত হয়। পেনচিলভেনিয়াৰ গৱৰ্ণৰ জোছ শ্বেপিৰ'ই ছ'চিয়েল মিডিয়াত কয় যে দুৰ্ঘটনাৰ প্ৰতি সঁহাৰি জনাবলৈ প্ৰয়োজনীয় সকলো সাজু কৰা হৈছে।

মাত্ৰ দুদিন পূৰ্বে ৱাশ্বিংটনৰ ৰেগান ৰাষ্ট্ৰীয় বিমানবন্দৰৰ সমীপত যাত্ৰীবাহী বিমান আৰু সামৰিক হেলিকপ্টাৰৰ সংঘৰ্ষত ৬৭ জন লোকৰ মৃত্যু হোৱাৰ পিছতে এই দুৰ্ঘটনা সংঘটিত হয়। ই প্ৰায় ২৫ বছৰৰ ভিতৰত আমেৰিকাৰ আটাইতকৈ মাৰাত্মক বিমান দুৰ্ঘটনা আছিল

OOOOO

ইণ্ডিয়ান ছুপাৰ লীগত যোৱা সন্ধিয়া মুম্বাই ফুটবল এৰেনাত অনুষ্ঠিত এখন খেলত মুম্বাই চিটি এফ চিৰ বিৰুদ্ধে ইষ্ট বেংগল এফ চিয়ে গ'লশূণ্য ভাৱে ড্ৰ খেলে।

প্ৰতিযোগিতাত মুম্বাইৰ এইটো সপ্তমটো ড্ৰ' আছিল আৰু দলটোৱে ১৮খন খেলত ২৮ পইণ্ট লাভ কৰি তালিকাৰ ষষ্ঠ স্থানত আছে।

আজি নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত সন্ধিয়া ৫ বজাত পঞ্জাৱ এফ চিৰ বিৰুদ্ধে বেংগালুৰু এফ চিয়ে খেলিব। পিছত সন্ধিয়া ৭:৩০ বজাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী কৃৰংগনত মোহন বাগান ছুপাৰ জায়েন্টৰ বিৰুদ্ধে মহম্মদন এছ চিয়ে অৱতীৰ্ণ হব।

OOOOO

ইউৰোপীয় আউটড'ৰ চেম্পিয়নশ্বিপত যোৱা নিশা ফ্ৰান্সৰ মিটিং মিৰামাছ মেট্ৰ'পলত অনুষ্ঠিত পুৰুষৰ ৬০ মিটাৰ হাৰ্ডলছত ভাৰতৰ তেজছ শ্বিৰ্ছেই ৰূপৰ পদক লাভ কৰে। ইয়াৰ উপৰিও তেওঁ ৭.৬৪ ছেকেণ্ডৰ সময়েৰে নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হয় আৰু নিজৰ পূৰ্বৰ শ্ৰেষ্ঠ ৭.৬৫ ছেকেণ্ড সময় ভংগ কৰে।

স্পেইনৰ এনৰিকে ল'পিছে ৭.৫৪ ছেকেণ্ডত সোণৰ পদক লাভ কৰাৰ বিপৰীতে ফ্ৰান্সৰ উইলহেম বেলোচিয়ানে ৭.৬৭ ছেকেণ্ড সময়েৰে ব্ৰঞ্জৰ পদক লাভ কৰে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি বিশ্ব গ্ৰন্থমেলা আৰম্ভ হ'ব। এই বছৰৰ বিশ্ব গ্ৰন্থমেলাৰ মূল বিষয় হৈছে- **আমি ভাৰতৰ জনসাধাৰণ**। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি এই বিষয়টো গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুই ৯ দিনীয়াকৈ আয়োজিত এই গ্ৰন্থমেলা উদ্বোধন কৰিব। নেচনেল বুক ট্ৰাষ্টৰ সঞ্চালক যুৱৰাজ মালিকে আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত কয়, যে এইবাৰৰ বিশ্ব গ্ৰন্থমেলাত ৰাছিয়াই মুখ্য দেশ হিচাপে ভাগ ল'ব। ফ্ৰান্স, আৰ্জেণ্টিনা, স্পেইন, কলম্বিয়া, আবু ধাবি আৰু কাটাৰকে ধৰি ৫০ খন দেশে এই গ্ৰন্থমেলাত অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাত দুহেজাৰৰো অধিক প্ৰকাশক আৰু প্ৰায় এহেজাৰ বক্তাই ভাগ ল'ব।

ooooo

সমাপ্ত